**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন।

২। কংগ্ৰেছ নেতা পৱন খেৰাৰ জামিন মঞ্জুৰ সন্দৰ্ভত তেলেংগানা উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনায় উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ ৰাজ্য চৰকাৰ।

৩। ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেডকাৰৰ ১৩৬ সংখ্যক জয়ন্তীত সমগ্ৰ ৰাষ্ট্ৰৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

৪। আমেৰিকা-ইৰানৰ শান্তি বৈঠক বিফল হোৱাৰ পাছত ইৰানৰ উপকূলসমূহ অৱৰোধ আমেৰিকাৰ নৌসেনা বাহিনীৰ। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৫৭ ৰানত জয়লাভ।

০০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰঙালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক বিহুৰ শুভেচ্ছা জনাইছে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাঁচিব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। বিভিন্ন বিহু কমিটীয়ে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। পুৱা চাৰে ১০ বজাত বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞাই বিহুৰ পতাকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব। সাধাৰণ সম্পাদক সমীৰণ ফুকনে মুকলি বিহুত ছহীদ তৰ্পণ কাৰ্যসূচীত ছহীদলৈ শ্ৰদ্ধাঞ্জলি জনাব। এই অনুষ্ঠানত ৰাজ্যখনলৈ শুনাম কঢ়িয়াই অনা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হ'ব। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলৰ লগতে জনগোষ্ঠীয় সাংস্কৃতিক দলে অনুষ্ঠান পৰিৱেশন কৰিব।

কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত অসমী বহাগী মেলা অনুষ্ঠিত হৈছে। তামুলপুৰ জিলাত এই মেলাত স্থানীয় সামগ্ৰীৰ ভালেসংখ্যক বিপণীয়ে অংশ লৈছে। কালি মেলাৰ সামৰণি পৰে।

নুনমাটি বিহু সন্মিলনী, পূব গুৱাহাটী বিহু সন্মিলনীয়েও বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপন কৰিব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাবে বেলতলা ব'হাগী উৎসৱ উদযাপন সমিতিয়ে এইবাৰ বিহুৰ অনুষ্ঠান বাতিল কৰিছে। নুনমাটি বিহু সন্মিলনীৰ আজিৰ দিনটোৰ কাৰ্যসূচী সন্দৰ্ভত সন্মিলনীৰ সভাপতি মধুৰঞ্জন নাথে এইদৰে কয়–

**(বাইট)**

ধেমাজি জিলাৰ গ্ৰাম্যঞ্চলৰ লগতে নিলখ আটকাই নাহৰণি গাঁৱৰ ৰাইজেও পৰম্পৰা ৰক্ষা কৰি আজি পুৱাতে হাতে হাতে মাখিয়তি, দীঘলতি আৰু লাও-বেঙেনা খুৱাই গৰুবিহু পালন কৰিছে। এইসন্দৰ্ভত আমাৰ ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰনাথ শৰ্মাই এইদৰে কয়-

**(বাইট)**

ধুবুৰী জিলাতো কৃষক ৰাইজে পৰম্পৰাগত ৰীতি-নীতিৰে গৰু বিহু পালন কৰিছে। জিলাখনৰ বিভিন্ন বিহু সমিতিয়ে আজিৰে পৰা মঞ্চ বিহুৰ অনুষ্ঠানৰো আয়োজন কৰিছে।

চৰাইদেউ জিলাতো বিহু উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষকসকলে গৰু বিহুৰ দিনা গৰুক গা ধুৱাই নতুন পঘা দিয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মাজুলী জিলাতো বিহু উপলক্ষে ৰাইজৰ মাজত ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

ডিব্ৰুগড় জিলাৰো বিভিন্ন প্ৰান্তত পুৱাৰে পৰা গৰুক গা ধুৱাই পৰম্পৰাগতভাৱে গৰুবিহু পালন কৰা বাতৰি আমালৈ আহিছে।

**(বাইট ঃ যাদৱ গগৈ)**

কাৰ্বি আংলং জিলাৰ ডিফুতো অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত ২০ খন আত্মসহায়ক গোটৰ বিপণী মুকলি কৰা হৈছে।

পশ্চিম কাৰ্বি আংলঙটো তিনিদিনীয়াকৈ আয়োজিত এই মেলাৰ কালি সামৰণি পৰে। ৩০ খন থলুৱা সামগ্ৰীৰ বিপনী মেলাত মুকলি কৰা হৈছিল।

দৰং জিলাৰো বিভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে পুৱাৰে পৰাই গৰু বিহু পালন কৰা হৈছে। জিলাখনত গৰুবিহু উদযাপন সন্দৰ্ভত আমাৰ দৰঙৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে এইদৰে কয়–

**(বাইট)**

গোৱালপাৰা জিলাতো ৰঙালী বিহু উপলক্ষে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনত আজি গৰুবিহু পালন কৰাৰ লগতে শ'লমাৰীত তিনিদিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলাখনত বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু পালনৰ বাবে সাজু হৈছে।

বহিঃৰাজ্যৰ যন্ত্ৰচালিত তাঁতশালৰ গামোচা কোনো অসাধু ব্যৱসায়ীয়ে যাতে বিক্ৰী কৰিব নোৱাৰে তাৰবাবে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বজাৰসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। যোৰহাট জিলাৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে কালি চহৰখনৰ বিভিন্ন স্থানত বিশেষ অভিযান চলায়। থলুৱা হস্ততাঁত শিল্পীক সুৰক্ষা দিয়াৰ উদ্দেশ্যে বিভাগীয় দলটোৱে বজাৰত বিক্ৰীৰ বাবে ৰখা বহিঃৰাজ্যত প্ৰস্তুত কৰা পাৱাৰলুমৰ গামোচাৰ বিৰুদ্ধে এই অভিযান চলাই চহৰখনৰ কেইবাখনো বজাৰৰ পৰা বহিঃৰাজ্যৰ গামোচা জব্দ কৰে।

০০০০০০

কংগ্ৰেছ নেতা তথা দলটোৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেৰাৰ আগতীয়া জামিন মঞ্জুৰ কৰি তেলেংগানা উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ প্ৰত্যাহ্বান জনাই অসম আৰক্ষী তথা ৰাজ্য  চৰকাৰ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে। ৰাজ্য চৰকাৰে দাখিল কৰা আবেদনখন কাইলৈ তালিকাভুক্ত হোৱাৰ সম্ভাৱনা আছে। আনহাতে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে পৱন খেৰাৰ সমৰ্থনত মাত মাতিছে আৰু কংগ্ৰেছ দল খেৰাৰ সৈতে আছে বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে তিনিখন দেশৰ পাৰপত্ৰ আৰু বিদেশত সম্পত্তি থকা বুলি যোৱা ৬ এপ্ৰিলত খেৰাই সংবাদমেলত অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পাছতে ৰিণিকি ভূঞা শৰ্মাই দাখিল কৰা এজাহাৰৰ ভিত্তিত অসম আৰক্ষীৰ অপৰাধ শাখাই খেৰাৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল।

০০০০০০

বৰাক উপত্যকাৰ তিনিখন জিলাত আজি চ'ত সংক্ৰান্তি উপলক্ষে উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। বছৰৰ অন্তিম দিন হিচাপে আজি পুৰণিক বিদায় দি নতুন বছৰক আদৰাৰ বাবে বিভিন্ন অনুষ্ঠান আৰু উৎসৱৰ আয়োজন কৰা হৈছে। আজিৰ এই বিশেষ দিনটোতে জনসাধাৰণে পৰম্পৰাগত খাদ্য-সম্ভাৰ প্ৰস্তুত কৰি বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনক আপ্যায়ন কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তত আজি চড়ক পূজা উপলক্ষে মেলাৰো আয়োজন কৰা হৈছে।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেডকাৰৰ ১৩৬ সংখ্যক জয়ন্তীত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ সংসদ ভৱন চৌহদত ড০ বি আৰ আম্বেডকাৰলৈ শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে আজি পুৱা বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

১৮৯১ চনৰ ১৪ এপ্ৰিলত মধ্যপ্ৰদেশত জন্মগ্ৰহণ কৰা ড০ বি আৰ আম্বেডকাৰে তেওঁৰ সমগ্ৰ জীৱন সামাজিক অসমতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে মহিলা, শ্ৰমিক তথা উপান্ত শ্ৰেণীৰ লোকসকলক সমান অধিকাৰ প্ৰদানৰ উদ্দেশ্যে উছৰ্গা কৰে। ১৯৯০ চনত তেওঁক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মান প্ৰদান কৰা হয়।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত শান্তি আলোচনাত কোনো চুক্তি সম্পাদন নোহোৱাৰ ফলত আমেৰিকাৰ নৌসেনা বাহিনীৰ যুদ্ধ জাহাজে হৰমুজ প্ৰণালী অৱৰোধ কৰিছে। মধ্যপ্ৰাচ্যত থকা মাৰ্কিন সামৰিক বাহিনীৰ চেণ্ট্ৰেল কামাণ্ডে এই অৱৰোধ তদাৰক কৰিছে। মাৰ্কিন নৌবাহিনীয়ে মূলতঃ হৰমুজ প্ৰণালী সমীপৰ খাৰ্ক, দ্বীপ, জাংক টাৰ্মিনেল, বন্দৰ আববাছ, বন্দৰ খুমেইনী আদি স্থানসমূহ অৱৰোধ কৰিছে। আমেৰিকাৰ সূত্ৰই জনোৱা মতে ইৰানৰ বন্দৰৰ সৈতে সম্পৰ্ক নৰখাকৈ চলাচল কৰা জাহাজসমূহ হৰমুজ প্ৰণালীৰে পাৰ হ'লে তেনে জাহাজক যাবলৈ অনুমতি দিয়া হ'ব। আনহাতে ইৰানৰ বন্দৰৰ পৰা ওলাই অহা অথবা ইৰানৰ বন্দৰলৈ যোৱা সামগ্ৰী পৰিবাহী জাহাজসমূহক আমেৰিকাই হৰমুজ প্ৰণালীৰে যাতায়াত কৰিবলৈ নিদিয়ে আৰু তেনে জাহাজক বলপূৰ্বক আটক কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে।

ইফালে বিশ্ব সম্প্ৰদায়ে হৰমুজ প্ৰণালীৰে যাতায়াত কৰা জাহাজৰ পৰা ইৰান বা আমেৰিকা কোনেও কৰ সংগ্ৰহ কৰা উচিত নহয় আৰু সমগ্ৰ বিশ্বৰ তেলৰ সংকট মোচনৰ বাবে দুয়ো দেশৰ মাজত শান্তি আলোচনা হোৱাৰ পোষকতা কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক ৫৭ ৰানত পৰাস্ত কৰে। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৬ ৰান কৰে। অধিনায়ক ঈষাণ কিষাণে ৯১ ৰানৰ বৰঙণি

আগবঢ়ায়। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ৪টা উইকেট দখল কৰা প্ৰফুল্ল হিংগেক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

অসমীয়া নৱবৰ্ষক আদৰাৰ বাবে ৰাজ্যজুৰি উখল-মাখল পৰিৱেশ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ অবিহনে প্ৰথমটো ৰঙালী বিহু, আজি পৰম্পৰাগত ৰীতি-নীতিৰে গৰু বিহু আদিৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত প্ৰকাশ পাইছে।

লখিমপুৰত প্ৰতিদিন কাকতৰ কাৰ্যালয়ত দুৰ্বৃত্তৰ আক্ৰমণৰ তিনি দিনৰ পাছতো অপৰাধীক কৰায়ত্ব কৰাত অসম আৰক্ষী ব্যৰ্থ হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ইছলামাবাদত আমেৰিকা আৰু ইৰানৰ শান্তি আলোচনা ব্যৰ্থ হোৱাৰ পাছতে আমেৰিকাৰ নৌ সেনা বাহিনীয়ে হৰমুজ প্ৰণালী অৱৰোধ কৰাৰ বাতৰি আমাৰ অসম কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে Iran threatens sea ports in Middle East শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থাৰ দাবী তুলি মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী কুংকি চৌধুৰীৰ মাতৃ সুজাতা গুৰুং চৌধুৰীয়ে ৰাষ্ট্ৰীয় মহিলা আয়োগত গোচৰ তৰাৰ বাতৰি বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া খবৰ কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

**১০ বছৰত ছন পৰি ৰৈছে ১৯ লাখ বিঘা কৃষি ভূমি** এই শিৰোনামৰ এটা বাতৰি প্ৰকাশ কৰিছে দৈনিক জনমভূমি কাকতখনে।

এম জি এনৰেগা আঁচনিৰ অধীনত ২০২৫-২৬ বৰ্ষত সাত হাজাৰ ২৩৭ টা পৰিয়ালে ১০০ দিনৰ কৰ্মৰ সুযোগ লাভ কৰাৰ বাতৰি বিতংভাৱে প্ৰকাশ কৰিছে দ্যা চেণ্টিনেল কাকতে।

তেলেংগানা উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই কংগ্ৰেছ নেতা তথা দলটোৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেৰাৰ বিৰুদ্ধে অসম আৰক্ষী তথা ৰাজ্য চৰকাৰ সৰ্বোচ্চ ন্যায়ালয়ৰ কাষ চপাৰ বাতৰি দৈনিক অসম কাকতখনে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, মেঘালয়, মণিপুৰ, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**